■ e-paper : www.asomiyapratidin.in
e-mail : ■ asomiyapratidin@yahoo.co.in

অসমীয়া

জ্যৈষ্ঠ, ১৯৩৭ শক ■ সোমবাৰ, ১ জুন ■ ASOMIYA PRATIDIN ■ JUNE 1, 2015 ■ গুৱাহাটী,

প্ৰতিদিন

ডিব্ৰুগড়, লখিমপুৰ, বঙাইগাঁৱৰ পৰা প্ৰকাশিত ■ গুৱাহাটী সংস্কৰণ * / Guwahati Edition *

## ইনষ্টিটিউট অব্ কোম্পানী ছেক্ৰেটাৰিজ অব্ ইণ্ডিয়া

# অসমত মূলধনী বজাৰ সপ্তাহ

**গুৱাহাটী ঃ** ইনষ্টিটিউট অব্ কোম্পানী ছেক্ৰেটেৰিজ অব্ ইণ্ডিয়া (আই চি এছ আই)ৰ উদ্যোগত কেপিটেল মাৰ্কেটছৰ ওপৰত বিনিয়োগকাৰীসকলৰ মাজত সজাগতা বৃদ্ধি আৰু উৎকৃষ্ট প্ৰশাসনিক ক্ৰিয়াকলাপক উৎসাহ যোগোৱাৰ উদ্দেশ্যে ২৫-৩১ মে'লৈ কেপিটেল মাৰ্কেটছ ঃ দি ইঞ্জিন ফৰ ইক'ন'মিক গ্ৰ'থ শীৰ্ষক আই চি এছ আই কেপিটেল মাৰ্কেটছ সপ্তাহৰ আয়োজন কৰা হয়। এই উদ্দেশ্যে গুৱাহাটীত এক মেগা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত আই চি এছ আইৰ অধ্যক্ষ চি এছ অতুল মেহতাই ভাষণ প্ৰদান কৰি কয় যে কোম্পানী ছেক্ৰেটাৰীসকলে এক সময়সীমাৰ ভিতৰত বৃত্তিগত বিকাশ কৰিবলগীয়া হয়। তেওঁ আৰু কয় কৰ্প'ৰেট পৰিক্ৰমা মন্ত্ৰালয়ে আই চি এছ আইৰ তৰফৰ পৰা বিশেষীকৃত কৰি দিয়া ছেক্ৰেটেৰিয়েল ষ্টেণ্ডাৰ্ডত সঞ্চালকমণ্ডলী (এছ এছ -১)ৰ বৈঠক আৰু সাধাৰণ বৈঠক (এছ এছ -২)ক অনুমোদন কৰিছে। তেওঁ কয় যে কোম্পানী ছেক্ৰেটেৰীয়ে এতিয়া গৱৰ্নেন্স প্ৰফেছনেলৰূপে জানিব তথা কৰ্প'ৰেট ব'ৰ্ডসমূহক বিভিন্ন ষ্টেটেজিক, গৱৰ্নেন্স আৰু কম্পলেন্স পৰিক্ৰমাসমূহত পথ




প্ৰদৰ্শকৰ মান্যতা লাভ কৰিছে। আনহাতে অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসমৰ মুখ্য সচিব জিতেশ খোছলাই কেপিটেল মাৰ্কেটছ সপ্তাহৰ আয়োজনৰ বাবে আয়োজকমণ্ডীলক অভিনন্দন জনায়। তেওঁ ভাষণ প্ৰসংগত কয় যে বৰ্তমান সময়ত অৰ্থ ব্যৱস্থাৰ বিকাশৰ বাবে কেপিটেল মাৰ্কেটৰ ভূমিকা অপৰিসীম। উল্লেখ্য, আই চি এছ আইৰ দেশ, বিভিন্ন আঞ্চলিক পৰিষদসমূহ আৰু চেপ্টাৰসমূহে কেপিটেল মাৰ্কেটছ সপ্তাহৰ আয়োজন কৰিছে। সপ্তাহজোৰা এই কাৰ্যসূচীত বিভিন্ন শৈক্ষিক বিকাশ সম্বন্ধীয় কাৰ্যসূচী, পেনেল ডিছকাচন, বিচাৰ আদি কাৰ্যসূচীৰ আয়োজন কৰিছে।